**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী নৱনির্মিত দলং উদ্বোধনকে ধৰি কেইবাটাও প্ৰকল্প মুকলিৰ উদ্দেশ্যে অহা ১৪ ফেব্ৰুৱাৰীত প্ৰধানমনন্ত্ৰীৰ পুনৰ অসম ভ্ৰমণৰ সম্ভাৱনা।

২। গুৱাহাটীৰ পানীখাইটীত বিশ্বমানৰ দুৰ্যোগ সঁহাৰি প্ৰশিক্ষণ প্ৰকল্পৰ আধাৰশিলা স্থাপন।

৩। বিদ্যা আৰু সুকুমাৰ কলাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত উলহ-মালহ পৰিৱেশ।

৪। নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৯ সংখ্যক জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি দেশজুৰি পৰাক্ৰম দিৱস পালন।

*আৰু*

৫। ৰায়পুৰত আজি ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল।

০০০০০০

ব্ৰহ্মপুত্ৰৰ ওপৰত গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ নৱনির্মিত দলংখন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৪ ফেব্ৰুৱাৰীত উদ্বোধন কৰাৰ সম্ভাৱনা আছে। এই উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমলৈ আমন্ত্ৰণ জনোৱাৰ বিষয়ে কালি সামাজিক মাধ্যমত প্ৰকাশ কৰে। এই একেটা ভ্ৰমণতে প্ৰধানমন্ত্ৰী গৰাকীয়ে ইণ্ডিয়ান ইনষ্টিটিউট অব মেনেজমেণ্টৰ শুভাৰম্ভণি আৰু ১০০ খন ইলেক্ট্ৰনিক বাছ মুকলি কৰাৰ লগতে মৰাণত এডভান্স লেণ্ডি ফেছিলিটি অৰ্থাৎ ভাৰতীয় বায়ু সেনাৰ বিমান ৰাষ্ট্ৰীয় ঘাইপথত অৱতৰণ কৰাৰ ব্যৱস্থা মুকলি অনুষ্ঠানতো অংশগ্ৰহণ কৰাৰ কথা। অহা মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি কোকৰাঝাৰ আৰু ভূটানৰ গেলেফুৰ মাজত ৰে'ল লাইনৰ আধাৰশিলা স্থাপন কৰিব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে। ইপিনে অহা ৩০ জানুৱাৰীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ অসমলৈ  অহাৰ কথা। এই ভ্ৰমণৰ সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে   ডিব্ৰুগড়ত দ্বিতীয় অসম বিধানসভা ভৱনৰ আধাৰশিলাও স্থাপন কৰিব।

০০০০০০

গুৱাহাটীৰ পানীখাইটীস্থিত অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষীৰ কেন্দ্ৰীয় প্ৰশিক্ষণ প্ৰতিষ্ঠান চৌহদত কালি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই এটা বিশ্বমানৰ দুৰ্যোগ সঁহাৰি প্ৰশিক্ষণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ সহযোগত অসমৰ নদী অৱবাহিকা সুসংহতকৰণ ব্যৱস্থাপনা কাৰ্যসূচীৰ অধীনত এই প্ৰশিক্ষণ প্ৰকল্প সংযোজন কৰা হ'ব। আধাৰশিলা স্থাপন অনুষ্ঠানত গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি আৰু বিধায়ক অতুল বৰাৰ লগে পণ্যাগাৰ নিগমৰ উপাধ্যক্ষ ড০ তপন দাস আৰু আৰক্ষী মহাপৰিদৰ্শক অৰবিন্দ কলিতায়ো উপস্থিত থাকে। অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্তই অসমক দুৰ্যোগ স্থিতি স্থাপক ৰাজ্য ৰূপে গঢ়াৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি আৰু সামৰ্থ বৃদ্ধিত ৰাজ্য চৰকাৰে বিশেষ অগ্ৰাধিকাৰ দিয়া বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে আন্তঃৰাষ্ট্ৰীয় মানৰ দুৰ্যোগ সঁহাৰি ব্যৱস্থা বিকশিত কৰি অসমক দুৰ্যোগ সংকামুক্ত ৰাজ্যৰূপে গঢ়ি তোলাত

চৰকাৰে গুৰুত্ব দিছে। ইয়াৰ বাবে আমাৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ অধীনৰ ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ মাৰ্গ দৰ্শনত সক্ৰিয়তাৰে কাম কৰি আছে।

(বাইট ঃ কেশৱ মহন্ত)

মন্ত্ৰী শ্ৰী মহন্তই অসমত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ উত্তৰ-পূৰ্বাঞ্চল চৌহদ এটা স্থাপনৰ বাবে অসম চৰকাৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰ্যালয়ৰ ওচৰত দিয়া প্ৰস্তাৱৰ প্ৰতি শেহতীয়াকৈ আশাব্যঞ্জক সঁহাৰি লাভ কৰাৰ বুলিও অনুষ্ঠানত প্ৰকাশ কৰে।

০০০০০০

বিদ্যা আৰু সুকুমাৰ কলাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত উলহ-মালহ পৰিৱেশে বিৰাজ কৰিছে। ৰাজ্যৰ বিভিন্ন শিক্ষানুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্ততো সৰস্বতী পূজাৰ আয়োজন কৰা হৈছে। মৃণ্ময় মূৰ্তিক প্ৰাণৱন্ত কৰাৰ বাবে প্ৰতিমা আৰু পূজাৰ সামগ্ৰীৰে বজাৰ ভৰি পৰা পৰিলক্ষিত হৈছে। ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহত পুৱাৰেপৰাই শিক্ষাৰ্থীসকলে বিদ্যাৰ অধিষ্ঠাত্ৰী সৰস্বতীক পূজা কৰাৰ বাবে প্ৰস্তুতি চলাইছে। ডিব্ৰুগড় জিলাত প্ৰায়বোৰ অনুষ্ঠান-প্ৰতিষ্ঠানতে আজি পুৱাৰেপৰা সৰস্বতী পূজা অনুষ্ঠিত হৈছে। কাছাৰ জিলাৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয় আদিত সৰস্বতী পূজাৰ আয়োজন কৰা হৈছে। ধুবুৰী জিলাৰ বিভিন্ন শিক্ষানুষ্ঠান আদিয়ো বাগদেৱীৰ বন্দনাৰে মুখৰ হৈ পৰিছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠান-প্ৰতিষ্ঠানতো মৃণ্ময় মূৰ্তিক প্ৰাণৱন্ত কৰি বাগদেৱীক আৰাধনা কৰা হৈছে। গোৱালপাৰা জিলাতো সৰস্বতী পূজাৰ বাবে বিভিন্ন শিক্ষানুষ্ঠানসমূহত পুৱাৰে পৰা প্ৰস্তুতি চলাই থকা হৈছে। একেদৰে বিশ্বনাথ জিলাতো বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ পূজাক লৈ আনন্দৰ পৰিৱেশে বিৰাজ কৰিছে। মাজুলীৰ বিভিন্ন স্থানত সৰস্বতী পূজাৰ আয়োজন কৰা হৈছে।

০০০০০০

অসম চৰকাৰে অহা কেইসপ্তাহমানৰ ভিতৰতে ৰাজ্যত ১০ হাজাৰ শিক্ষাৰ্থীক বছৰি প্ৰশিক্ষণ দিব পৰাকৈ স্থাপন কৰা দক্ষতা বিশ্ববিদ্যালয়খন মুকলি কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰে বিকাশৰ ক্ষেত্ৰত বহুমুখী পদক্ষেপ গ্ৰহণ কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কালি ডাভ'ছত এই কথা ঘোষণা কৰিছে।

বাইট

০০০০০০

সমাগত গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত প্ৰস্তুতি চলি আছে। ইয়াৰ বাবে জিলা সদৰসমূহত কুচ-কাৱাজৰ অনুশীলন কৰি থকা হৈছে। ডিব্ৰুগড় জিলাতো গণৰাজ্য দিৱসৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে। জিলাখনৰ খনিকৰ খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পতাকা উত্তোলন কৰাৰ কথা । ইয়াৰ বাবে দিনে-নিশাই প্ৰস্তুতি চলাই থকা হৈছে। ডিব্ৰুগড় মহানগৰত গণৰাজ্য দিৱস উপলক্ষে আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

বজালী জিলা প্ৰশাসনৰ উদ্যোগত এইবাৰ পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ আয়োজন কৰা হৈছে। ইয়াৰ বাবে ইতিমধ্যে কুচ-কাৱাজৰ অনুশীলন আৰম্ভ হৈছে। কালি জিলাখনৰ ৭ খন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ লগতে আৰক্ষী জোৱানে কুছ-কাৱাজৰ অনুশীলনত ভাগ লয়। জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুমন চক্ৰবৰ্তীয়ে অনুশীলন প্ৰত্যক্ষ কৰাৰ লগতে যাৱতীয় প্ৰস্তুতিৰ বুজ লয়। গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি সেইদিনা জিলা প্ৰশাসনিক বিষয়া আৰু সংবাদ মাধ্যমৰ লোকৰ মাজত এখন প্ৰীতি ক্ৰিকেট খেলৰ আয়োজন কৰা হৈছে।

ধুবুৰী জিলাৰ গৌৰীপুৰৰ আশাৰীকান্দি গাঁৱৰ ঐতিহ্যমণ্ডিত পোৰামাটিৰ শিল্প এইবাৰ নতুন দিল্লীৰ কৰ্তব্যপথত হ'বলগীয়া গণৰাজ্য দিৱসৰ কুচ-কাৱাজত প্ৰদৰ্শন কৰা হ'ব। ময়ূৰপংখীৰূপত এই শিল্প আটকধুনীয়াকৈ প্ৰদৰ্শন কৰা হ'ব। ইয়াকে লৈ জিলাখনৰ পোৰামাটিৰ শিল্পীসকলৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে।

০০০০০০

নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৯ সংখ্যক জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি সমগ্ৰ দেশত আজি পৰাক্ৰম দিৱস পালন কৰা হৈছে। এই উপলক্ষে আজিৰেপৰা শ্ৰীবিজয়পুৰমৰ নেতাজী ষ্টেডিয়ামত তিনিদিনীয়াকৈ জন্মবাৰ্ষিকী উদযাপনৰ আয়োজন কৰা হৈছে।

অসমৰ বিভিন্ন স্থানতো নেতাজীক স্মৰণৰ বাবে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জন্মবাৰ্ষিকীত নেতাগৰাকীক ৰাজ্যবাসীৰ হৈ স্মৰণ কৰিছে।

ধুবুৰী জিলাৰ বিভিন্ন স্থানত দল-সংগঠনে আজি পৰাক্ৰম দিৱস উদযাপনৰ আয়োজন কৰিছে। জিলাখনৰ পাঁচমূৰত থকা নেতাজীৰ প্ৰতিমূৰ্তিস্থলীৰ লগতে গৌৰীপুৰ, সাপটগ্ৰাম, চাপৰ আদি স্থানতো বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বিলাসীপাৰাত নেতাজী সেৱা সদনৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে পৰাক্ৰম দিৱসৰ আয়োজন কৰা হৈছে।

০০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানলৈ পৰ্যটকৰ আকৰ্ষণ বৃদ্ধি কৰাৰ উদ্দেশ্যে আজিৰে পৰা ৯ দিনীয়া কাৰ্যসূচীৰে মানাহ মহোৎসৱৰ আয়োজন কৰা হৈছে। মানস ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জৰ প্ৰথম প্ৰৱেশদ্বাৰ প্ৰাংগণত অনুষ্ঠিত এই মহোৎসৱত উদ্যানখনৰ কাষৰীয়া অঞ্চলৰ জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি, খাদ্য সম্ভাৰ প্ৰদৰ্শন কৰা হ'ব। মহোৎসৱৰ বিষয়ে আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে জনাইছে –

বাইট

০০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলাত আজি কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হয়। পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিছে। তেওঁলোকে পাহাৰত উৎপাদিত আলু, কচু, আদা, হালধি আদি সামগ্ৰীৰে ভৈয়ামৰ লোকসকলৰ সৈতে অন্যান্য সামগ্ৰী আদান-প্ৰদান কৰিছে। বিনিময় প্ৰথাৰ মূলহাট মুকলি কৰে মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব আৰু পৰম্পৰাগত কুকুৰা যুঁজ অনুষ্ঠিত হ'ব। সমূহীয়া মাছ ধৰা পৰ্ব মুকলি কৰিব গোভা ৰজা দীপসিং দেওৰজাই। কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। ইয়াৰ লগতে তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানেৰে কালি পুৱা এই মেলা আৰম্ভ হয়। গোভা ৰজা দীপসিং দেওৰজাই বন্তি প্ৰজ্বলনেৰে মেলাৰ শুভাৰম্ভ কৰে। কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে মেলাৰ বৰঘৰ, ডেকাচাং, চাংঘৰ আদি পৰম্পৰাগত গৃহ মুকলি কৰে।

০০০০০০

ৰঙিয়াৰ মৃত্যুঞ্জয় শিৱমন্দিৰৰ ২৫ বছৰ পূৰ্তি উপলক্ষে আজিৰে পৰা পাঁচ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰঙিয়া শিৱমন্দিৰ প্ৰাংগণত শ্ৰীশ্ৰী মহা মৃত্যুঞ্জয় যজ্ঞৰ আয়োজন কৰা হৈছে। বৃহত্তৰ ৰঙিয়াৰ সনাতন ধৰ্মী লোকসকলৰ উপাসনাৰ অন্যতম কেন্দ্ৰস্থল এই শিৱমন্দিৰ প্ৰাংগণত আজি পুৱাৰ ভাগত সামূহিক চাফাই অভিযান, বেদধ্বনি আৰু জপ পৰ্ব অনুষ্ঠিত হয়। দিনৰ ভাগত নৰেন্দ্ৰ শৰ্মাৰ সভাপতিত্বত এখন ধৰ্মালোচনী সভা অনুষ্ঠিত হ'ব। মন্দিৰৰ ৰূপালী

জয়ন্তী উপলক্ষে ৰাজ্যসভাৰ সাংসদ ভুবনেশ্বৰ কলিতাই মৃত্যুঞ্জয় নামৰ এখন স্মৃতি গ্ৰন্থও উন্মোচন কৰিব। আজি অনুষ্ঠানত নিমন্ত্ৰিত অতিথিৰূপে প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ মুখ্য সঞ্চালিকা জোনালি বেহেন উপস্থিত থকাৰ কথা। সন্ধিয়ালৈ নাগাৰা নামৰ আয়োজন কৰা হৈছে বুলিও উদ্যোক্তাসকলে জনাইছে।

০০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকমুহূৰ্তত আকাশবাণী গুৱাহাটীৰ 'দৃষ্টিপাত' অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত 'মোৰ বাবে গণতন্ত্ৰৰ অৰ্থ' শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অংশগ্ৰহণ কৰিব জ্যেষ্ঠ নাগৰিকৰ প্ৰতিনিধি ড০ সূৰ্য দাস, মহিলা সমাজৰ প্ৰতিনিধি মিনাক্ষী কাকতি আৰু ছাত্ৰ সমাজৰ প্ৰতিনিধি অৰুণাভ হাজৰিকাই। অনুষ্ঠানৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰায়পুৰত শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰত নাগপুৰত অনুষ্ঠিত প্ৰথমখন খেলত জয়লাভ কৰি শৃংখলাত সম্প্ৰতি ১-০ ত আগবাঢ়ি আছে।

০০০০০০

NPR/RNU (23-01-2026) MRN.

এছ আৰ বিসংগতিৰ শুনানি, ডাভ'ছত মুখ্যমন্ত্ৰীয়ে লাভ কৰা প্ৰায় ১ লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰতিশ্ৰুতি, ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ, জোনবিল মেলা, সৰস্বতী পূজা আদিৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতৰ প্ৰথম পৃষ্ঠাত স্থান পোৱা দেখা গৈছে। **অসমীয়া প্ৰতিদিন** কাকতে '৩০ লাখ লোকৰ নাম কৰ্তনৰ বাবে সন্দেহজনক আবেদন দাখিল' শিৰোনামেৰে ভোটাৰ তালিকাৰ বিশেষ সংশোধন প্ৰক্ৰিয়াৰ বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। ভোটাৰ তালিকাৰ বিশেষ সংশোধন শুনানিৰ সময়ত হাহাকাৰ সৃষ্টি হোৱাৰ এই একেটা বাতৰিক দৈনিক অসম, আমাৰ অসম, দৈনিক অগ্ৰদূত, দৈনিক জনমভূমি আদি কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে। **দৈনিক অসম** কাকতে প্ৰধানমন্ত্ৰীৰ আসন্ন অসম ভ্ৰমণৰ বাতৰিক 'ফেব্ৰুৱাৰীত দুবাৰকৈ অসমলৈ আহিব প্ৰধানমন্ত্ৰী মোদী' শিৰোনামেৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক **দৈনিক জনমভূমি** আৰু **অসমীয়া খবৰ** কাকতেও প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডাভ'ছত শীঘ্ৰেই ৰাজ্যত ১ লাখ কোটি টকাৰ বিনিয়োগ হ'ব বুলি কৰা মন্তব্যৰে এটা বাতৰি, মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **আমাৰ অসম** কাকতে কালি অনুষ্ঠিত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ শুনানিৰ বাতৰি অমৃতপ্ৰভাৰ জামিনৰ ৰায় ৩০ ফেব্ৰুৱাৰীত। শ্যামকানু-সন্দীপনৰ আবেদন প্ৰত্যাহাৰ শিৰোনামেৰে প্ৰকাশ কৰিছে। একেটা বাতৰি **দা ছেণ্টিনেল** কাকতেও গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতে ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদে কাজিৰঙাৰ এলিভেটেড কৰিড'ৰত ৩৪ টা কঠোৰ চৰ্ত বান্ধিহে অনুমোদন দিয়া বুলি এটা বাতৰি প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে মুখ্যমন্ত্ৰীয়ে ডাভ'ছত ব্যৱসায়ী জগতৰ দুশ গৰাকী কাণ্ডাৰীৰ সৈতে আলোচনাত মিলিত হোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, আৰু ত্ৰিপুৰাৰ বতৰ শুকান হোৱাৰ আৰু অৰুণাচল প্ৰদেশৰ বিভিন্ন স্থানত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

শিৱসাগৰ জিলাৰ ধনেখোৱা গাঁৱৰ নিবাসী তথা খনাখোকোৰা উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক শিশিৰ কুমাৰ ভট্টাচাৰ্যৰ কালি নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯২ বছৰ। অঞ্চলটোৰ বিভিন্ন সামাজিক কাম-কাজত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা শিক্ষাবিদগৰাকীয়ে দিখৌমুখ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো বিশেষ ভূমিকা লৈছিল।

oooooo

**সমাপ্ত**